Total No. of Printed Pages—4

**6 SEM TDC DSE ASM (CBCS)**
**1(H)/2(NH)**

**2022**

( June/July )

ASSAMESE

( Discipline Specific Elective )

( For Honours and Non-Honours )

Paper : DSE–1(H)/2(NH)

**( Introduction to World Literature )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) 'বিশ্ব সাহিত্য' ধাৰণাটো কোনে প্ৰৱৰ্তন কৰিছিল ?

(খ) দুষ্মন্ত আৰু শকুন্তলাৰ প্ৰথম দেখা-দেখি ক'ত হৈছিল ?

(গ) 'ইলিয়াড' মহাকাব্যখন কোনে ৰচনা কৰিছিল ?

(ঘ) 'অশ্ৰুতীৰ্থ'ৰ সৰযু চৰিত্ৰটোৰ মূল নাটকত কি নাম আছিল ?

(ঙ) 'সময়ৰ সন্তানবোৰ' কবিতাটোত 'ৰাছিয়াৰ পেটৰ পোৱালিবোৰ' বুলি কোন শ্ৰেণীৰ লোকক বুজাইছে?

(চ) আফ্‌কে আৰু মাৰ্টিনৰ সন্তান কেইটি আছিল?

(ছ) মোপাছাঁ কোন ভাষাৰ লেখক?

(জ) 'হীৰাৰ হাৰ' গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰটোৰ নাম কি?

(ঝ) কাউন্টি কিউলেন কোন দেশৰ কবি?

২। (ক) বিশ্ব সাহিত্য বুলিলে কি বুজা? বিশ্ব সাহিত্য সম্পৰ্কে বিভিন্নজন আলোচকে আগবঢ়োৱা ধাৰণাৰ আধাৰত বিশ্ব সাহিত্যৰ বিষয়ে এটি সংজ্ঞা যুগুত কৰাঁ। ৩+৭=১০

*অথবা*

(খ) 'অভিজ্ঞান শকুন্তলম্'ৰ চতুৰ্থ অংকত বিশ্বজনীন মানৱীয় আৱেদন কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ। ১০

৩। (ক) "বিশ্বসাহিত্য এক, কেৱল তাৰ প্ৰকাশ ঘটি আহিছে পৃথিৱীৰ বিভিন্ন ভাষাত।" এই উক্তিৰ আধাৰত বিশ্বসাহিত্যৰ স্বৰূপ ব্যাখ্যা কৰাঁ। ১৪

*অথবা*

(খ) কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকৰ চতুৰ্থ অংকত প্ৰতিফলিত হোৱা প্ৰকৃতিৰ চিত্ৰণ সম্পৰ্কে চমুকৈ এটি আলোচনা যুগুত কৰাঁ।

৪। (ক) মোপাছাঁৰ 'হীৰাৰ হাৰ' গল্পৰ মাতিল্‌দে লোৱাজেল আৰু অ'হেনৰীৰ 'উপহাৰ' গল্পৰ ডেলা চৰিত্ৰ দুটিৰ এটি তুলনামূলক আলোচনা যুগুত কৰাঁ। ১৫

*অথবা*

(খ) "প্ৰেমৰ গভীৰতা, সমাজৰ শ্ৰেণী-বৈষম্য, তথাকথিত উচ্চ শ্ৰেণীৰ আত্মপ্ৰবঞ্চনা 'মাৰুচীৰ স্বপ্ন' গল্পৰ উপজীব্য।" আলোচনা কৰাঁ।

৫। (ক) টমাছ হাৰ্ডিৰ 'জীৱন্মৃত' কবিতাটিত বিচ্ছিন্নতাবোধে গ্ৰাস কৰি অনা আধুনিক মানুহৰ যন্ত্ৰণাময় জীৱনৰ ছবি কিদৰে প্ৰকাশিত হৈছে, কবিতাটোৰ আলমত বিচাৰ কৰাঁ। ১৪

*অথবা*

(খ) 'ঘটনা' আৰু 'ক'লা মানুহৰ ল'ৰা' শীৰ্ষক কবিতা দুটিত প্ৰকাশিত বৰ্ণবৈষম্যৰ বিষয়ে এটি তুলনামূলক আলোচনা যুগুত কৰাঁ।

৬। (ক) 'অশ্ৰুতীৰ্থ' নাটকৰ কাহিনীভাগ চমুকৈ উল্লেখ কৰি নাটখনিত নাট্যকাৰৰ মৌলিকতা সম্পৰ্কে আলোচনা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) "বহিঃসংঘাততকৈ অন্তঃসংঘাতে 'অশ্ৰুতীৰ্থ' নাটকৰ নাটকীয় গুণ বৃদ্ধি কৰিছে।" এই যুক্তিৰ আধাৰত 'অশ্ৰুতীৰ্থ' নাটকৰ নাটকীয় সংঘাত সম্পৰ্কে আলোচনা কৰাঁ। ১৪

৭। চমু টোকা লিখাঁ (যি কোনো এটাৰ) : ৫

(ক) আফ্‌কে'ৰ চৰিত্ৰত প্ৰতিফলিত বিশ্বজনীন মাতৃত্বৰ ছবি

(খ) 'আফ্‌কেজ টেন' উপন্যাসত প্ৰতিফলিত শিশু-মনস্তত্ত্ব

★★★